# 2018

## ASSAMESE

## ( Major )

Paper : 5.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা (যি কোনো সাতটা) : ১×৭=৭

(ক) *Origin and Development of Bengali Language* নামৰ গ্ৰন্থখনৰ লিখক কোন?

(খ) কুৰি শতিকাৰ প্ৰথম ভাগত এছিয়া-মাইনৰত উদ্ধাৰ হোৱা শিলালেখবোৰৰ ভাষাটোক কি বুলি অভিহিত কৰা হৈছে?

(গ) ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়ালৰ একেবাৰে পশ্চিম সীমাত কোনটো শাখাৰ ভাষা প্ৰচলিত?

(ঘ) কোন শ্ৰেণীৰ ভাষাত প্ৰাতিপদিক বা প্ৰত্যয় বুলি কোনো কথা নাই?

(ঙ) 'হিন্দুস্তানী' নাম দি ভাৰতত কৃত্ৰিম ৰাষ্ট্ৰভাষা এটা চলাবলৈ কোনে মানস কৰিছিল?

(চ) ড. ঝমেনহফে উলিওৱা কৃত্রিম আন্তঃৰাষ্ট্ৰীয় ভাষাটোৰ নাম কি আছিল?

(ছ) নাৰী আৰু অশিক্ষিত পুৰুষৰ ভাষা হিচাপে সংস্কৃত নাটকত কোনবিধ প্ৰাকৃত ব্যৱহাৰ কৰা হৈছিল?

(জ) "Language is a social institution." ভাষা সম্পৰ্কীয় এই উক্তিটো কোনে আগবঢ়াইছিল?

(ঝ) কোনো এটা ভাষাৰ অৱয়বী পৰিৱৰ্তন মানে কি?

২। চমু উত্তৰ লিখা (যি কোনো **চাৰিটা**) : ২×৪=৮

(ক) ভৌগোলিক পৰিস্থিতি অনুযায়ী কৰা ভাষাৰ বৰ্গীকৰণক কিয় বিজ্ঞানসম্মত বুলিব নোৱাৰি, দুটা যুক্তি দিয়া।

(খ) ভাৰতত কোনো বংশলতিকা নথকা পৃথিৱীৰ যি কোনো দুটা ভাষা-পৰিয়ালৰ নাম লিখা।

(গ) উপভাষা সৃষ্টিত প্ৰভাৱ পেলোৱা দুটা কাৰক উল্লেখ কৰা।

(ঘ) "সাহিত্যৰ মাজেদিও ভাষাৰ স্থিৰতা ৰক্ষা হয়।" কথাষাৰ বুজাই লিখা।

(ঙ) এটি উদাহৰণেৰে ভাষাৰ সমাজগত চাহিদা প্ৰতিপন্ন কৰা।

(চ) কামৰূপী উপভাষাত হোৱা অপিনিহিতিৰ দুটা উদাহৰণ দাঙি ধৰা।

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) অবর্গীকৃত ভাষা

(খ) সমাজ ভাষাবিজ্ঞান (Sociolinguistics)

(গ) অভিসাৰী আৰু অপসাৰী ধ্বনি পৰিৱৰ্তন

(ঘ) আন্তঃৰাষ্ট্ৰীয় ভাষা

(ঙ) ক্ৰেওলীয় ভাষা

৪। (ক) ভাষাৰ ঐতিহাসিক বা পাৰিবাৰিক বৰ্গীকৰণ কাক বোলে? ঐতিহাসিক বৰ্গীকৰণত কোনবোৰ দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়, বহলাই আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) ভাষা-পৰিয়াল বুলিলে কি বুজা? ভাৰতত কি কি ভাষা-পৰিয়ালৰ ভাষা প্ৰচলিত আছে? ইয়াৰ ভিতৰত প্ৰাচীন বুলি ভবা পৰিয়ালটোৰ বিষয়ে চমুকৈ আলোচনা কৰা। ২+২+৬=১০

৫। (ক) "ভাষা জন্মগত বা আনুবংশিক নহয়। সি পৰিৱেশৰ অধীন। অৰ্থাৎ কোনো ভাষাত কোনো জাতিৰ আত্মা বিচাৰি পোৱা নাযায়।" কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰি ভাষা আৰু জাতিৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা। ৩+৭=১০

*অথবা*

(খ) মান্যভাষা আৰু ৰাজ্যভাষাৰ সম্পৰ্ক আৰু পাৰ্থক্য বিচাৰ কৰি কোনো এটা ভাষাই কেনেদৰে ৰাজ্যভাষাৰ স্বীকৃতি লাভ কৰিব পাৰে, আলোচনা কৰা। ৩+৭=১০

৬। (ক) ধ্বনি পৰিৱৰ্তন বুলিলে কি বুজা ? ভাষাৰ ধ্বনি পৰিৱৰ্তনৰ চাৰিটা কাৰণ উদাহৰণসহ আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) তলত দিয়া ধ্বনি পৰিৱৰ্তনৰ দিশসমূহৰ পৰা যি কোনো চাৰিটাৰ বিষয়ে চমু টোকা লিখা : ২$\frac{১}{২}$×৪=১০

বিষমীভৱন; মূৰ্ধ্যনীভৱন; অনুনাসিকীভৱন; মধ্য ব্যঞ্জনাগম; স্বৰসংগতি; স্পুনাৰিজম; অঘোষীভৱন।

★★★